অসম বিধান সভা ২০১৭

তৰাবিহীন প্ৰশ্ন নং ২৫৬

উত্তৰ দিনৰ তাৰিখ ০৮-০২-২০১৭

বিষয় : ৰাসায়নিক সাৰৰ বিকল্প হিচাপে জৈৱিক সাৰ

বিধায়কৰ নাম : শ্ৰীগুৰুজ্যোতি দাস :

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰ অৱগত নে, দৰং জিলাখন কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত বিশেষকৈ পাচলি উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভিতৰতে লেখত লবলগীয়া ?

(খ) এইটো সঁচা নে, জিলাখনৰ কৃষক সকলে অধিক উৎপাদনৰ বাবে বিভিন্ন ধৰণৰ ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধ প্ৰয়োগ কৰে৷ যিটো নেকি স্বাস্থ্যৰ পক্ষে ভীষণ ক্ষতিকাৰক ?

(গ) যদি অৱগত, এই ক্ষেত্ৰত ৰাসায়নিক সাৰৰ বিকল্প হিচাপে জৈৱিক সাৰ প্ৰয়োগৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

(ঘ) মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ বলিষ্ঠ নেতৃত্বত কৃষি কাৰ্য্যত জৈৱিক সাৰ প্ৰয়োগৰ বাবে যি মহৎ আঁচনিৰ সূচনা কৰিছে উক্ত আঁচনিৰ দৰং জিলাখনো অন্তৰ্ভুক্ত কৰা হবনে ?

(ঙ) যদি হয়, দৰং জিলাৰ মংগলদৈ বিধান সভা সমষ্টিত যিহেতু প্ৰচুৰ পাচলি জাতীয় শস্য উৎপন্ন হয়, সেয়েহে ইয়াতে এটি জৈৱিক সাৰ উৎপাদন কৰা প্ৰকল্প স্থাপনৰ আঁচনি গ্ৰহণ কৰা হবনে ?

উত্তৰ

মাননীয় কৃষি মন্ত্ৰী শ্ৰীঅতুল বৰা মহোদয়ে উত্তৰ দিব।

(ক) হয়। কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত দৰং জিলাৰ অগ্ৰণী ভূমিকা সম্পৰ্কে চৰকাৰ অৱগত।

(খ) কৃষি উৎপাদন বৃদ্ধিৰ বাবে সঠিক আৰু অনুমোদিত হাৰত প্ৰয়োজন সাপেক্ষে ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য প্ৰয়োগ কৰাটো আৱশ্যক। অনুমোদিত হাৰতকৈ অধিক

প্ৰয়োগ কৰিলে এইবোৰে জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব পাৰে। অৱশ্যে দৰং জিলাৰ ক্ষেত্ৰত এনেবোৰ দ্ৰব্যৰ ক্ষতিকাৰক প্ৰয়োগৰ আনুষ্ঠানিক তথ্যৰ অভাৱ আছে।

(গ) ৰাসায়নিক সাৰৰ বিকল্প হিচাপে জৈৱিক সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত কৃষক সকলৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ পুস্তিকা বিতৰণ, প্ৰশিক্ষণ, আলোচনা চক্ৰ আদিৰ উপৰিও কেঁচুসাৰ আৰু জৈৱিক সাৰ উৎপাদনৰ বাবে বিভিন্ন আঁচনিৰ অধীনত ৰাজসাহায্যৰ ব্যৱস্থা আছে।

(ঘ) প্ৰধান মন্ত্ৰীৰ বলিষ্ঠ নেতৃত্বত সূচনা কৰা "পৰম্পৰাগত কৃষি বিকাশ যোজনা" নামৰ কেন্দ্ৰীয় আঁচনিৰ অধীনত দৰং জিলা খনক ইতিমধ্যে অন্তৰ্ভুক্ত কৰা হৈছে।

(ঙ) জৈৱিক সাৰ উৎপাদনৰ কোনো বৃহৎ প্ৰকল্প স্থাপনৰ প্ৰস্তাৱ সম্প্ৰতি কৃষি বিভাগৰ হাতত নাই। কিন্তু কেঁচুসাৰৰ উৎপাদনৰ ক্ষুদ্ৰ আঁচনিৰ বাবে চৰকাৰী আঁচনিৰ অধীনত ৰাজসাহায্য দিয়াৰ ব্যৱস্থা আছে।

— o —